# **NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-01-2025 **Time :** 1340 Hrs.

***Assamese NSD Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এইবাৰৰ গণৰাজ্য দিৱসত অংশগ্ৰহণ কৰিবলগীয়া ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সদস্য, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক, প্ৰতীকপটৰ শিল্পী আৰু জনজাতীয় সম্প্ৰদায়ৰ অতিথিসকলক সাক্ষাৎ কৰিব।

২। সমগ্ৰ দেশজুৰি আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হৈছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত কেন্দ্ৰীয় বাজেট প্ৰস্তুতি প্ৰক্ৰিয়াৰ অন্তিম পৰ্যায়ৰূপে জনাজাত হল্‌ৱা সমাৰোহত অংশগ্ৰহণ কৰিব।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা মিশ্বেল মাৰ্টিনক অভিনন্দন জ্ঞাপন কৰিছে।

**আৰু**

৫। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে মুখ্য ৰাজনৈতিক দলসমূহে ভোটদাতাক আকৰ্ষিত কৰাৰ বাবে পূৰ্ণোদ্যমে চেষ্টা চলাই আছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এইবাৰৰ গণৰাজ্য দিৱসত অংশগ্ৰহণ কৰিবলগীয়া ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সদস্য, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক, প্ৰতীকপটৰ শিল্পী আৰু জনজাতীয় সম্প্ৰদায়ৰ অতিথিসকলক সাক্ষাৎ কৰিব। এইবছৰ গণৰাজ্য দিৱসৰ সমাৰোহত সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামৰিক শক্তি প্ৰদৰ্শন কৰা হ'ব। সমাৰোহত সংবিধানৰ ৭৫ সংখ্যক বাৰ্ষিকী আৰু জনসাধাৰণৰ অংশগ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। এই সমাৰোহত 'স্বৰ্ণিম ভাৰত ঃ ঐতিহ্য আৰু উন্নয়ন' বিষয়বস্তুৰ ভিত্তিত সাজি উলিওৱা বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কেন্দ্ৰীয় মন্ত্ৰালয় তথা বিভাগৰ ৩১ টা প্ৰতীকপট অন্তৰ্ভুক্ত কৰা হ'ব। গণৰাজ্য দিৱসৰ কুচ-কাৱাজত ভগৱান বীৰচা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী, চৰ্দাৰ বল্লভ ভাই পেটেল আৰু বতৰ বিজ্ঞান বিভাগৰ বিশেষ প্ৰতীকপট চামিল কৰা হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ ৩০০ গৰাকী শিল্পীয়ে বাদ্যযন্ত্ৰৰ সহায়ত পৰিৱেশন কৰা জাতীয় সংগীত 'চাৰে জাঁহা ছে আচ্ছা'ৰে কুচ-কাৱাজ আৰম্ভ হ'ব।

0000000

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ৰাষ্ট্ৰীয় নগৰ সমবায় বিত্ত আৰু উন্নয়ন নিগমৰ কাৰ্যালয় উদ্বোধন কৰিব। এই উপলক্ষে প্ৰধানন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সেহকৰ সে সমৃদ্ধি' লক্ষ্যক অধিক শক্তিশালী কৰাৰ বাবে সমবায় খণ্ডৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ আৰম্ভ কৰিব। ইয়াৰ লগতে গৃহমন্ত্ৰী অমিত

শ্বাহে আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ, ২০২৫-ৰ বাৰ্ষিক কাৰ্যসূচীৰ কেলেণ্ডাৰো মুকলি কৰিব। নগৰীয়া সমবায় বেংকসমূহে ব্যৱসায়ত সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধানৰ বাবে চৰকাৰে এটা ৰাষ্ট্ৰীয় নগৰ সমবায় বিত্ত আৰু উন্নয়নৰ নিগম গঠন কৰাত অনুমোদন জনাইছে। এই নিগম গঠনৰ দ্বাৰা প্ৰায় ১৫০০ নগৰ সমবায় বেংকক প্ৰয়োজনীয় তথ্য-প্ৰযুক্তিৰ আন্তঃগাঁথনি আৰু পৰিচালনাৰ ক্ষেত্ৰত সহায়ক হ'ব।

0000000

সমগ্ৰ দেশজুৰি আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হৈছে। সমাজত কন্যা শিশুসকলৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ জানুৱাৰীত  এই দিৱস পালন কৰি অহা হৈছে। এই দিৱস উদযাপনে প্ৰতিগৰাকী কন্যা শিশুক মৰ্যাদা প্ৰদান কৰাৰ লগতে বিকাশ, শিক্ষা আৰু আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত তেওঁলোকে সমানে সুযোগ লাভ কৰাটো নিশ্চিত কৰাৰ প্ৰয়োজনৰ কথা সোঁৱৰাই আহিছে। এনে প্ৰয়োজনৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনৰ ২২ জানুৱাৰীত **বেটি বচাও, বেটি পঢ়াও** আঁচনি আৰম্ভ কৰিছিল।  কন্যা শিশুসকলৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা ত্বৰান্বিত কৰাৰ লগতে কন্যা ভ্ৰুণ হত্যা, বাল্য বিবাহ আৰু লিংগ বৈষম্যৰ লেখীয়া জটিল সমস্যাসমূহৰ সমাধানৰ লক্ষ্যৰে এই আঁচনি গ্ৰহণ কৰা হৈছিল।

চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ মূল মন্ত্ৰ হ'ল কন্যাসকলক উজ্বল ভৱিষ্যতৰ বাবে সবল কৰি তোলা। ইয়াৰ জৰিয়তে কন্যাসকলক তেওঁলোকৰ ভৱিষ্যৎ গঢ় দিয়াৰ লগতে সমাজত স্বীকৃতি লাভ কৰিব পৰাকৈ উপযুক্ত তথা সমান সুযোগ প্ৰদান কৰিবলৈ বিচৰা হৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ উদ্যোগত ২০০৮ চনত দেশত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হৈছিল।

0000000

মহাৰাষ্ট্ৰৰ ভাণ্ডাৰাত অৱস্থিত সেনাবাহিনীৰ অস্ত্ৰ নিৰ্মাণ কাৰখানাত আজি পুৱা এটা বিস্ফোৰণ সংঘটিত হয়। এই ঘটনাটোৰ পাছত উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে উদ্ধাৰকাৰী তথা চিকিৎসা সেৱাৰ সৈতে জড়িত লোক অঞ্চলটোত ব্যস্ত হৈ পৰিছে। ঘটনাটোৰ বিষয়ে সবিশেষ এতিয়াও জানিব পৰা হোৱা নাই।

0000000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত কেন্দ্ৰীয় বাজেট প্ৰস্তুতি প্ৰক্ৰিয়াৰ অন্তিম পৰ্যায়ৰূপে জনাজাত হল্‌ৱা সমাৰোহত অংশগ্ৰহণ কৰিব। পৰম্পৰা অনুযায়ী বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰী, মন্ত্ৰালয়ৰ সচিব আৰু জ্যেষ্ঠ বিষয়াসকল এই সমাৰোহত উপস্থিত থাকিব। পহিলা ফেব্ৰুৱাৰীত সংসদত কেন্দ্ৰীয় বাজেট উত্থাপন কৰা হ'ব।

পৰম্পৰা অনুযায়ী হল্‌ৱা সমাৰোহৰ পাছত বিত্ত মন্ত্ৰালয়ৰ কোনো বিষয়াই মন্ত্ৰালয় চৌহদ ত্যাগ কৰিব নোৱাৰে। সংসদত বাজেট উত্থাপন কৰাৰ পাছতহে বাজেট দলৰ সদস্যসকলে মন্ত্ৰালয় ত্যাগ কৰিব পাৰিব।

0000000

আয়াৰলেণ্ডৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে ফিয়ানা ফইলৰ নেতা মিশ্বেল মাৰ্টিন নিৰ্বাচিত হৈছে। দেশখনৰ নিম্ন সদন **ডইল**ত কালি হোৱা ভোটগ্ৰহণৰ জৰিয়তে তেওঁ দ্বিতীয়বাৰৰ বাবে দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়। দেশখনৰ দুটা অন্যতম ৰাজনৈতিক দল ফাইন গে'ল আৰু ফিয়ানা ফইলৰ সংযুক্ত মৰ্চাৰ লগতে একাংশ নিৰ্দলীয় সদস্যই তেওঁৰ পক্ষত ভোটদান কৰে। বিগত কাৰ্যকালৰ দ্বিতীয়াৰ্ধত ফাইন গে'ল দলৰ নেতৃত্বৰ হাতত দায়িত্ব অৰ্পণ কৰাৰ পূৰ্বে ৬৪ বছৰ বয়সীয়া মিশ্বেল মাৰ্টিনে ২০২০ৰ পৰা ২০২২ চনলৈ দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সহযোগী দল দুটাৰ মাজত সম্পাদিত চুক্তি অনুসৰি বিদায়ী প্ৰধানমন্ত্ৰী ছাইমন হেৰিছে ২০২৭ বৰ্ষত পুনৰ দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা মিশ্বেল মাৰ্টিনক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে আয়াৰলেণ্ডৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰি তোলাৰ বাবে একেলগে কাম কৰি যাবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। দুয়োখন দেশৰ মূল্যবোধ তথা জনসাধাৰণৰ মাজৰ পাৰস্পৰিক গভীৰ সম্পৰ্ক এই দ্বিপাক্ষিক সম্পৰ্কৰ মূল আধাৰ বুলি তেওঁ লগতে মত প্ৰকাশ কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে ভাৰত ৰত্ন সন্মানেৰে বিভূষতি কৰ্পূৰি ঠাকুৰে এগৰাকী প্ৰকৃত নাগৰিক আৰু দূৰদৰ্শী ৰাজনীতিক আছিল, যিয়ে বিভিন্ন সংস্কাৰসমূলক পদক্ষেপৰ জৰিয়তে বিহাৰত নৱ-জাগৰণৰ সূচনা কৰিছিল। বিহাৰৰ ছমষ্টিপুৰৰ কৰ্পূৰি গাঁৱত আজি কৰ্পূৰি ঠাকুৰৰ ১০১ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে আয়োজন কৰা অনুষ্ঠানত দিয়া ভাষণত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সমাজ সংস্কাৰত বিপ্লৱী পুৰুষগৰাকীৰ ভূমিকাত আলোকপাত কৰে। শ্ৰী ধনখড়ে কয়, যে কৰ্পূৰি ঠাকুৰে সামাজিক ন্যায়ৰ বাবে সংৰক্ষণ ব্যৱস্থা ৰূপায়ণ, মাতৃভাষা মাধ্যমত শিক্ষা, অসবৰ্ণ বিবাহ আদি সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছিল আৰু সেইবাবে তেওঁ জননায়ক হিচাপে জনসাধাৰণে স্মৰণ কৰি আহিছে।

অনুষ্ঠানত ৰাজ্য সভাৰ উপ-সভাপতি হৰিবংশ, বিহাৰৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপৰি আনকেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকে।

০০০০০০০

অহা ৫ ফেব্ৰুৱাৰীত হ'বলগীয়া ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে সকলো মুখ্য ৰাজনৈতিক দলৰ নেতাসকলে ভোটাৰসকলক আকৰ্ষিত কৰাৰ চেষ্টা পূৰ্ণোদ্যমে চলাই আছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰেলী আৰু ৰোড শ্ব'ত ভাগ লোৱাৰ লগতে ঘৰে ঘৰে গৈ প্ৰচাৰ চলাইছে।

উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে আজি সন্ধিয়া নতুন দিল্লীত এটা ৰেলীত অংশগ্ৰহণ কৰিব। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে মংগলপুৰী, নতুন দিল্লী আৰু দ্বাৰকা সমষ্টিত কেইবাখনো জনসভাত ভাগ ল'ব। একেদৰে নতুন দিল্লীৰ বিজেপিৰ সাংসদ বাঞ্চুৰী স্বৰাজে আজি সন্ধিয়া শ্বালীমাৰ বাগ বিধানসভা সমষ্টিৰ ভোটদাতাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰাক্তন বিজেপি সাংসদ লকেট চেটাৰ্জীয়েও কৰোলবাগ আৰু কলকাজি সমষ্টিত প্ৰচাৰ চলাব।

আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয়া আহ্বায়ক তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি নাজফগড়, উত্তমনগৰ আৰু দ্বাৰকা সমষ্টিত ৰোড শ্ব'ত ভাগ ল'ব। আপৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে শ্বালিমাৰবাগ, মংগলপুৰী, ছুলতানপুৰ মাজৰা আৰু নাঙলৈ জাট বিধানসভা সমষ্টিত কেইবাখনো জনসভা সম্বোধন কৰিব।

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে দলীয় প্ৰাৰ্থী জে পি পাণৱাৰৰ সমৰ্থনত মাডিপুৰত এটা বিশাল ৰোড শ্ব'ত ভাগ ল'ব।

০০০০০০০

মুম্বাইৰ আন্ধেৰীৰ দণ্ডাধীশলৰ আদালতে দেশৰ খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা ৰাম গোপাল বাৰ্মাক চেক বাউন্স হোৱা এটা গোচৰত দোষী সাব্যস্ত কৰি তিনি মাহৰ সাধাৰণ কাৰাবাসৰ দণ্ড বিহিছে। হস্তান্তৰযোগ্য লেখা অধিনিয়মৰ ১৩৮ নম্বৰ ধাৰাৰ অধীনত  মহেশ চন্দ্ৰ মিশ্ৰ নামৰ ব্যক্তিএগৰাকীয়ে প্ৰতিনিধিত্ব কৰা শ্ৰী নামৰ এটা প্ৰতিষ্ঠানে সাত বছৰ পূৰ্বে এই গোচৰটো ৰুজু কৰিছিল। গোচৰটোৰ শুনানি গ্ৰহণ কৰি আন্ধেৰী দণ্ডাধীশৰ আদালতে শ্ৰী বাৰ্মাক দোষী সাব্যস্ত কৰি তেওঁক কাৰাদণ্ড বিহে। এই কাৰাবাসৰ অতিৰিক্তভাৱে অভিযোগকাৰীক ক্ষতিপূৰণ হিচাপে তিনি মাহৰ ভিতৰত তিনি লাখ ৭২ হাজাৰ টকা আদায় দিবলৈকো তেওঁক নিৰ্দেশ দিয়া হৈছে। ক্ষতিপূৰণৰ ধন আদায় নিদিলে তেওঁক অতিৰিক্ত তিনি মাহৰ বাবে কাৰাবাস খাটিব লাগিব। শুনানিৰ সময়ত চলচ্চিত্ৰ নিৰ্মাতাগৰাকী অনুপস্থিত থকাৰ পৰিপ্ৰেক্ষিতত আদালতে তেওঁৰ বিৰুদ্ধে জামিন বিহীন গ্ৰেপ্তাৰি পৰোৱানা জাৰি কৰি ৰায়দান কাৰ্যকৰী কৰিবলৈ সংশ্লিষ্ট থানাক নিৰ্দেশ দিয়ে। বিচাৰৰ সন্মুখীন হোৱা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে তেওঁৰ আইনী পৰামৰ্শদাতাসকলে বিষয়টো অধ্যয়ন কৰি আছে বুলি উল্লেখ কৰি, আদালতৰ বিচাৰাধীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত এই সন্দৰ্ভত কোনো ধৰণৰ মতামত প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰিছে।

০০০০০০০

সমাপ্ত